**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 15-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## *Headlines*

১। প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে কংগ্ৰেছৰ নেতাসকলে কৰা বিৰূপ মন্তব্যৰ বাবে ক্ষমা বিচৰাৰ দাবী জনাই এন ডি এৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ দুয়োখন সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত।

২। ২০ ডিচেম্বৰত প্ৰধানমন্ত্ৰীৰ দুদিনীয়া ভ্ৰমণসূচীৰে অসম আগমন।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ২৯ ডিচেম্বৰত বটদ্ৰৱাত নৱনিৰ্মিত প্ৰকল্পস্থলী মুকলি।

আৰু

৪। ভাৰতীয় দলৰ স্কোৱাছ বিশ্বকাপৰ খিতাপ দখল। প্ৰধানমন্ত্ৰীৰ অভিনন্দন।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে কংগ্ৰেছৰ নেতাসকলে কৰা বিৰূপ মন্তব্যৰ বাবে ক্ষমা বিচৰাৰ দাবী জনাই এন ডি এৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি সংসদৰ দুয়োখন সদনৰ কাম-কাজ দুপৰীয়া ১২ বজালৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে লোকসভাত পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে বিষয়টো সদনত উত্থাপন কৰে। শ্ৰী ৰিজিজুৱে নতুন দিল্লীত কালি কংগ্ৰেছৰ সমদলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে বিৰূপ মন্তব্য কৰাৰ বিষয়টো গৰিহণা দিয়ে। এনেধৰণৰ মন্তব্য গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই কাৰ্যক লজ্জাজনক আৰু দুৰ্ভাগ্যজনক বুলি অভিহিত কৰে। এন ডি এ সাংসদসকলে বিষয়টো লৈ হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰাত অধ্যক্ষ ওম বিৰলাই সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰে। ইয়াৰ পূৰ্বে লোকসভাত সদনৰ প্ৰাক্তন সদস্য প্ৰয়াত সুভাষ অহোজা, প্ৰফেছৰ চালাহুদ্দিন আৰু বালকৃষ্ণ চাওহাৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁলোকৰ বিদেহ আত্মাৰ সদ্গতি কামনাৰে মৌনতা অৱলম্বন কৰা হয়।

ৰাজ্যসভাতো আজি একে পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদন মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ নেতা জে পি নাড্ডাই বিৰোধী দলৰ নেতা মল্লিকাৰ্জুন খাৰ্গে আৰু জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে ক্ষমা বিচৰাৰ দাবী জনায়। তেওঁ কয়, যে এনেধৰণৰ মন্তব্যই কংগ্ৰেছ দলৰ চিন্তাধাৰা আৰু মানসিকতাক প্ৰতিফলিত কৰে। বিষয়টো লৈ এন ডি এৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ বাবে উপ-সভাপতি হৰিবংশে সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ঘোষণা কৰে।

০০০০০০০

———প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে অহা ২০ ডিচেম্বৰত অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱ-নিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই

টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্ত-গাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। এক্ট-ইষ্ট নীতিৰ অংশ হিচাপে নিৰ্মাণ কৰা এই অত্যাধুনিক বিমান বন্দৰ টাৰ্মিনেলে বছৰি ১ কোটি ৩১ লাখ যাত্ৰীক সেৱা আগবঢ়াব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পূৰ্বে ইতিমধ্যে ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু অন্যান্য বিষয়াসকলে যাৱতীয় প্ৰস্তুতি গঢ়ি তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে অহা ২১ ডিচেম্বৰত নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে নামৰূপত এখন জনসভাতো অংশ ল'ব। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া সভাস্থলী পৰিদৰ্শন কৰি যাৱতীয় প্ৰস্তুতিৰ বুজ লয়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ২৯ ডিচেম্বৰত বটদ্ৰৱাত নৱনিৰ্মিত প্ৰকল্পস্থলী মুকলি কৰিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান পৱিত্ৰ বটদ্ৰৱাত গুৰুজনাৰ সৃষ্টিৰাজি সংৰক্ষণৰ লগতে উত্তৰ প্ৰজন্মক সৃষ্টিৰাজিৰ দ্বাৰা অনুপ্ৰাণিত কৰাৰ বাবে ৰাজ্য চৰকাৰে এই প্ৰকল্প ৰূপায়ণ কৰিছে। কালি বিধায়ক ৰূপক শৰ্মা আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ডঃ ৰবি কোটাই নগাঁৱৰ বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰি অগ্ৰগতিৰ বুজ লয়। মুখ্য সচিবগৰাকীৰ সৈতে অসম আৰক্ষীৰ মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকল্পটোৰ সামগ্ৰিক পৰিস্থিতিৰ পৰ্যালোচনা কৰে। উল্লেখযোগ্য যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানক বিশ্বমানৰ আধ্যাত্মিক আৰু পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্প শীৰ্ষক এটা অভিলাষী প্ৰকল্প ৰূপায়ণ কৰিছে। এই সন্দৰ্ভত বিধায়ক শ্ৰীশৰ্মাই এইদৰে কয় -

**বাইট (ৰূপক শৰ্মা)**

উল্লেখযোগ্য যে এই অনুষ্ঠানত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫০ হাজাৰৰো অধিক ভকত-বৈষ্ণৱৰ সমাগম হোৱাৰ সম্ভাৱনা আছে। অনুষ্ঠানত দুহেজাৰ গায়ন-বায়ন আৰু সহস্ৰাধিক শিল্পীয়ে সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব বুলি নগাঁৱৰ পৰা আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দি আছাম ট্ৰিবিউন কাকতৰ সম্পাদক, আছাম ট্ৰিবিউন প্ৰতিষ্ঠানৰ অধ্যক্ষ তথা বিশিষ্ট সাংবাদিক প্ৰফুল্ল গোবিন্দ বৰুৱাৰ মৃত্যুত শোকপ্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে সংবাদজগতলৈ আগবঢ়োৱা অৱদানৰ বাবে বৰুৱা চিৰস্মৰণীয় হৈ ৰ'ব। শ্ৰী মোদীয়ে লগতে অসমৰ প্ৰগতি তথা ৰাজ্যখনৰ সংস্কৃতিক জনপ্ৰিয় কৰি তোলাৰ দিশত সাংবাদিকগৰাকীৰ একনিষ্ঠ সেৱাৰ কথা সোঁৱৰে।

৯৩ বছৰ বয়সত যোৱানিশা দেহাৱসান ঘটা অসমৰ সংবাদ জগতৰ মহীৰূহগৰাকীৰ নশ্বৰ দেহ বৰ্তমান তেওঁৰ কৰ্মস্থল দি আছাম ট্ৰিবিউন চৌহদত ৰখা হৈছে। ইয়াতেই গুণমুগ্ধসকলে তেওঁলৈ শেষ শ্ৰদ্ধা তৰ্পণ কৰিব পাৰিব। আজি দিনৰ ভাগত নৱগ্ৰহ শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব। ইয়াৰ আগতে বৰুৱাৰ নশ্বৰ দেহ হাস্পতালৰ পৰা তেওঁৰ চানমাৰিৰ বাসগৃহলৈ অনা হয়।  দীৰ্ঘকাল ধৰি দৈনিক অসম কাকতৰ সম্পাদক হিচাপেও দায়িত্ব পালন কৰা প্ৰফুল্ল গোবিন্দ বৰুৱাই ২০১৮ চনত পদ্মশ্ৰী সন্মান লাভ কৰিছিল। উত্তৰ-পূৰ্বাঞ্চলৰ সংবাদ জগতৰ অন্যতম বৰেণ্য ব্যক্তি বৰুৱাই সাংবাদিকতাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে বহু সন্মান

লাভ কৰিছিল। সাহিত্য, কলা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসম সাহিত্য সভাই তেওঁক সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্য, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে ধৰি বিভিন্নজনে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ উদ্যোগত শিৱসাগৰৰ ভটিয়াপাৰৰ নৰ্থ-ইষ্ট ডেভেলপমেণ্ট ফ'ৰাম নামৰ সংগঠনৰ সহযোগত পৰহিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত হস্তশিল্প আৰু হস্ততাঁত মেলাৰ কালি সামৰণি পৰে। মেঘালয়ৰ পূৱ খাচী পাহাৰ অঞ্চলত মেটেকা আৰু বাঁহৰ সামগ্ৰী প্ৰস্তুত কৰাৰ প্ৰশিক্ষণ গ্ৰহণ কৰি থকা ৩০গৰাকী হস্তশিল্পীৰ সামগ্ৰীসমূহ এই মেলাত প্ৰদৰ্শন কৰা হয়। শুকান মেটেকা আৰু বাঁহ আদিৰে প্ৰস্তুত কৰা আকৰ্ষণীয় সামগ্ৰীসমূহে ৰাইজৰ বিশেষ সমাদৰ লাভ কৰা পৰিলক্ষিত হয়। ভাৰত-বাংলাদেশ সীমান্তৰ ভিতৰুৱা গ্ৰামাঞ্চলৰ হস্তশিল্পীয়ে প্ৰস্তুত কৰা এই সামগ্ৰীসমূহ দেশৰ লগতে বিদেশৰ বজাৰো দখল কৰাৰ বাবে ফ'ৰামে বিশেষ ব্যৱস্থা গ্ৰহণ কৰি আহিছে বুলি সংগঠনটোৰ সম্পাদিকা প্ৰিয়ম হাজৰিকাই প্ৰকাশ কৰে।

বাইট (প্ৰিয়ম হাজৰিকা)

০০০০০০০

ইতিহাস সৃষ্টি কৰি ভাৰতীয় স্কোৱাচ খেলুৱৈৰ দলটোৱে বিশ্বকাপৰ খিতাপ দখল কৰিছে। চেন্নাইত অনুষ্ঠিত প্ৰতিযোগিতাৰ ফাইনেলত ঘৰুৱা দলটোৱে বিশ্বৰ শীৰ্ষস্থানীয় হংকঙক ৩-০ৰ ব্যৱধানত পৰাস্ত কৰি বিজয়ীৰ খিতাপ দখল কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই সাফল্যৰ বাবে ভাৰতীয় দলটোক অভিনন্দন জ্ঞাপন কৰিছে। তেওঁ কয় যে দলটোৰ জ্যোৎস্না চিনাপ্পা, অভয় সিং, ভি চেন্থিল কুমাৰ আৰু অনাহাত সিঙে দৃঢ়তা আৰু নিষ্ঠাৰে নিজৰ দক্ষতা প্ৰতিপন্ন কৰিছে। ইয়াৰ ফলত নতুন প্ৰজন্মৰ খেলুৱৈসকল এই ক্ৰীড়াৰ প্ৰতি আকৰ্ষিত হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ খোৱাং আজাৰগুৰিৰ নিবাসী দক্ষ ফুটবল ৰেফাৰী লক্ষী বৰগোহাঁইৰ কালি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫৩ বছৰ। খেলুৱৈগৰাকীৰ আকস্মিক মৃত্যুত খোৱাং ক্ৰীড়া সন্থা, শাখা সাহিত্য সভা, খোৱাং প্ৰেছক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**